

# অংকুৰণ

## প্ৰাচীৰ পত্ৰিকা

## অসমীয়া বিভাগ

## হাফলং চৰকাৰী মহাবিদ্যালয়

### অসমীয়া বিভাগৰ বিষয়ে ঃ

১৯৬৯ চনত হাফলং চৰকাৰী মহাবিদ্যালয় ৰ প্ৰতিষ্ঠাৰ লগতে অসমীয়া বিভাগ আৰম্ভ হয়। শ্ৰী তৰুণ খাকলাৰী প্ৰথম বিভাগীয় মূৰব্বী। শ্ৰী নগেন ঠাকুৰ, শ্ৰী বীৰেন্দ্ৰ নাথ বৰপূজাৰী আৰু শ্ৰী ধৰণীধৰ ৰয় বিভাগটোৰ প্ৰতিষ্ঠাপক প্ৰবক্তা। প্ৰথমতে বিভাগটোত চাৰিটা পোষ্ট আছিল যদিও নৱৈৰ দশকত দুটা পোষ্ট উচ্চ শিক্ষা বিভাগে কটন মহাবিদ্যালয়লৈ লৈ যায়। বৰ্তমান বিভাগটোত থকা দুটা পোষ্টৰ এটা **NCERT** গুৱাহাটীত সংলগ্ন কৰা হৈছে।

*পাঠকলৈ......*

বিভাগৰ একমাত্ৰ ছাত্ৰ বামজেং ডিব্ৰা আৰু মোৰ সহযোগত অসমীয়া বিভাগৰ এই প্ৰাচীৰ পত্ৰিকাখন প্ৰকাশ কৰা হৈছে। উল্লেখযোগ্য যে, যোৱা বহু বছৰ ধৰি অসমীয়া বিভাগত কোনো ছাত্ৰ-ছাত্ৰী নাছিল। ২০২৪ বৰ্ষৰ **FYUG** প্ৰথম সান্মাষিকত বামজেং ডিব্ৰাই নামভৰ্তি কৰাৰ লগতে বিভাগটোৱে পুনৰ প্ৰাণ পাই উঠে। মই আশাবাদী যে, অহা বছৰবোৰত অসমীয়া বিভাগত আৰু ছাত্ৰ-ছাত্ৰীয়ে নামভৰ্তি কৰিব আৰু এই প্ৰাচীৰ প্ৰত্ৰিকাখনে ন ন ৰূপ লৈ দীৰ্ঘজীৱী হোৱাৰ লগতে ইয়াৰ কলেবৰো বৃদ্ধি হ'ব।

**ড° নিলিমা বৰা**
বিভাগীয় মূৰব্বী, **অসমীয়া বিভাগ**
**হাফলং চৰকাৰী মহাবিদ্যালয়**
**দূৰভাষ - ৭০০২৬৫২০২৮**

## দিছৰোদি হাফলংবাৰ ঃ

দিছৰোদি হাফলংবাৰ যাক দিছৰু বুলিও জনা যায়। ডিমাছা ৰাজকুমাৰীসকলৰ ভিতৰত অন্যতম। ১৪৯৬ চনৰ ৩ মাৰ্চত তেওঁৰ জন্ম হয়। তেওঁৰ পিতৃ হৰিৰাম হাফলংবাৰ আৰু মাতৃ দাঅকাদী হাফলংবাৰ। ডিমাছা জনগোষ্ঠীৰ মাজত ৰাজকুমাৰী দিছৰুৰ ভূমিকা মহত্বপূৰ্ণ।

ৰাজকুমাৰী দিছৰোদি হাফলংবাৰৰ জীৱন ইমান সহজ নাছিল। তেওঁৰ পিতৃ হাতী চিকাৰ কৰাৰ চখ আছিল। এবাৰ তেওঁৰ পত্নী গৰ্ভাৱতী অৱস্থাত ৰজা হৰিৰাম হাফলংবাৰ হাতী চিকাৰলৈ যাবলৈ ওলাল। চিকাৰলৈ যোৱাৰ আগত তেওঁ পত্নীক কঠোৰ আদেশ দি যায় যে, যদি তেওঁ কন্যা সন্তানৰ মাতৃ হয়, তেতিয়া তেওঁ যাতে তাইক লগে লগে ত্যাগ কৰে। যথা সময়ত ৰাণীয়ে এটি সুন্দৰ কন্যা সন্তান প্ৰসৱ কৰে আৰু এগৰাকী দাসীৰ তত্বাৱধানত ৰাখে। ৰজা ঘৰলৈ ঘূৰি অহাৰ পিছত ৰাণীয়ে কন্যা সন্তানৰ জন্ম হোৱাৰ পিছতে তাইক ত্যাগ কৰাৰ কথা শুনি সুখী হয়। এনেকৈয়ে বছৰ বাগৰি যায়। এদিন ৰজাই ৰাজকুমাৰী দিছৰুক দেখা পায়। অপূৰ্ব সুন্দৰী দিছৰুক দেখি তেওঁক বিয়া পতাৰ সিদ্ধান্ত লয়। পুৰণি বৃদ্ধ দাস-দাসী যি দিছৰুৰ বিষয়ে জানিছিল সিহঁতে ৰজাক ৰাজকুমাৰী দিছৰু যে তেওঁৰে সন্তান এই বিষয়ে জনায়। কিন্তু ৰজাই বিশ্বাস নকৰিলে। উপায়ন্তৰ হৈ ৰাজকুমাৰী দিছৰু ৰাজ্যৰ পৰা পলাই যায়। পৰৱৰ্তী সময়ত ৰাজকুমাৰী দিছৰুৱে ডিমাছা জনগোষ্ঠীক সংগঠিত কৰাত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে।



বামজেং ডিব্ৰা
অসমীয়া বিভাগ
প্ৰথম ষান্মাসিক

# চেয়াংজীক জয়া

‘জয়া’ তুমি ক’ত আছা, ক’ত হেৰাই গ’লা
আমাৰ জীৱনৰ পৰা.....
তোমাৰ অবিহনে আমি বৰ অকলশৰীয়া হৈছোঁ
হাত ভৰি সকলো আছে তথাপিও আমি বৰ নিসংগ ‘জয়া’
অন্ধকাৰ আৰু অন্ধকাৰ চাৰিওফালে অন্ধকাৰ
কাৰোৰে সময় নাই আমাক উভতি চোৱাৰ
তোমাৰ জন্মভূমি মিহগ্ৰীংদিছাত, এবাৰ উভতি অহা,
কিদৰে জীয়াই আছো আমি তোমাৰ অবিহনে।
‘জয়া’ আজিৰ সম্পৰ্কবোৰ স্বাৰ্থপৰ হৈ গ’ল
মাথোঁ ব্যৱহাৰ কৰিছে, কোনেও নোসোধে জয়া।
আমি কি বিচাৰোঁ, সুখী নে আমি.... ?
কিয় ইমান নিথৰুৱা কৰি গুচি গ’লা তুমি....
আজি আমি বৰ কষ্টত আছোঁ, এবাৰ উভতি আহা ‘জয়া’
নোৱাৰিম সুখৰ অভিনয় কৰিব.... হৃদয়ত বৰ দুখ।




বামজেং ডিব্ৰা
অসমীয়া বিভাগ
প্ৰথম ষান্মাসিক